# চতুৰ্থ অধ্যায়

## লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পৰ তুলনা

### ৪.১. ভূমিকা ঃ

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দ আধুনিক ভাৰতীয় সাহিত্যৰ দুগৰাকী প্ৰসিদ্ধ গল্পকাৰ। দুয়ো সমসাময়িক গল্পকাৰ। বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্যক আৰু প্ৰেমচন্দে আধুনিক হিন্দী সাহিত্যক প্ৰতিনিধিত্ব কৰিছিল। দুয়োজনে পৰাধীন ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰিছিল। সেই সময়ত ভাৰতবৰ্ষ বৃটিছৰ অধীনত আছিল। সেয়ে সমগ্ৰ ভাৰতবৰ্ষতে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত ভালেমান সমস্যাৰ সৃষ্টি হৈছিল। সেই সমস্যাসমূহে সেই সময়ৰ সাহিত্যৰ ক্ষেত্ৰখনকো ত্বৰান্বিত কৰিছিল। সাহিত্যিক সকলে তেওঁলোকৰ সাহিত্য কৰ্মৰ জৰিয়তে সমস্যাসমূহ দাঙি ধৰিছিল আৰু তাৰ সমাধানৰ পথো নিৰ্দেশ কৰিছিল। পৰাধীন ভাৰতৰ জনগণক অতীতৰ গৌৰৱোজ্জ্বল দিনবোৰৰ স্মৰণ কৰাই জাতীয়তাবোধৰ জন্ম দিবলৈ তেওঁলোকে হাতত কলম লৈছিল। সেই সময়তে দেশত নৱজাগৰণৰ সূচনা হৈছিল। সংবাদ পত্ৰ আৰু সাপ্তাহিক, মাহেকীয়া, পষেকীয়া সাহিত্য আলোচনীৰ প্ৰচলন আৰম্ভ হৈছিল। সাহিত্যিকসকলে এই সংবাদপত্ৰ আৰু আলোচনী সমূহৰ চাহিদা পূৰাবলৈয়ো গল্প, উপন্যাস আদি সৃষ্টিশীল ৰচনাত মনোনিৱেশ কৰিছিল। বেজবৰুৱা আৰু প্ৰেমচন্দেও এই উদ্দেশ্য আগত ৰাখিয়েই সাহিত্য কৰ্মত আত্মনিয়োগ কৰিছিল। সেয়ে দুয়োগৰাকী সাহিত্যিকৰ গল্পসমূহৰ উদ্দেশ্য, বিষয়বস্তু, চৰিত্ৰ চিত্ৰণ, কলা-কৌশল, সামাজিক চিত্ৰ আদিত ভালেমান সাদৃশ্য পৰিলক্ষিত হয়। এই সাদৃশ্যসমূহৰ মাজেৰে উভয়ৰে গল্পত ভাৰতীয় সাহিত্যৰ উমৈহতীয়া বৈশিষ্ট্যসমূহ প্ৰকাশ পাইছে। অৱশ্যে দুয়োৰে গল্পৰ মাজত ভালেমান বৈসাদৃশ্যও দেখিবলৈ পোৱা যায়।

**৪.২ ঃ বিষয়বস্তু ঃ**

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পৰ বিষয়বস্তুৰ মাজত ভালেমান দিশত সাদৃশ্য আৰু কিছুমান দিশত পাৰ্থক্য পৰিলক্ষিত হয়।

**৪.২.১ ঃ সাদৃশ্য ঃ**

১। লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দে তেওঁলোকৰ গল্পৰ বিষয়বস্তু চয়ন কৰিছিল প্ৰধানকৈ ঊনবিংশ শতিকাৰ পৰাধীন ভাৰতৰ বিভিন্ন সমস্যাক আধাৰ ৰূপে লৈ। সেয়ে দুয়োগৰাকী গল্পকাৰৰ গল্পৰ সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় পটভূমিৰ সাদৃশ্য বিদ্যমান।

২। লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দে সমসাময়িক সমাজত ইংৰাজী শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱলৈ আহি নিজৰ সংস্কৃতি পাহৰি যোৱা কিছুমান লোকৰ কাৰ্য-কলাপক গল্পৰ বিষয়বস্তুৰূপে নিৰ্বাচন কৰিছিল। এই গল্পবোৰত তেওঁলোকে কিছুমান লোকৰ ভণ্ডামী উদঙাই দেখুৱাইছে। বেজবৰুৱাৰ *মলক গুইন গুইন, ভোকেন্দ্ৰ বৰুৱা, ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা, ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা, জগৰা মণ্ডলৰ প্ৰেমাভিনয়* এই শ্ৰেণীৰ গল্প। প্ৰেমচন্দৰ *বিশ্বাস, শান্তি-২, দীক্ষা, বিচিত্ৰ হোলী, সত্যাগ্ৰহ* আদি গল্পতো এই বিষয়বস্তুৰেই ৰূপায়িত হৈছে।

৩। দুয়োগৰাকী গল্পকাৰে ইংৰাজ চৰকাৰৰ বিষয়া-কৰ্মচাৰীয়ে ভাৰতীয় সাধাৰণ জনতাক কৰা শোষণ-শাসনক বিষয়বস্তু ৰূপে লৈ গল্প ৰচনা কৰিছে। বেজবৰুৱাৰ গল্প *মিষ্টাৰ ফিপ্সন* আৰু *বাপিৰামত* এই বিষয়বস্তু বৰ্ণিত হৈছে। প্ৰেমচন্দৰ *শুদ্ৰা, বিচিত্ৰ হোলী, দীক্ষা* আদি গল্পতো সদৃশ বিষয়বস্তু উপস্থাপন কৰিছে।

বেজবৰুৱাৰ গল্প *মিষ্টাৰ ফিপ্সনত* এগৰাকী ভাৰতীয় নাৰীক উপপত্নী ৰূপে ৰাখি এজন ইংৰাজ বিষয়াই পিছত অসহায়ভাৱে এৰি থৈ যায়। তেওঁক নিজৰ ল'ৰা-ছোৱালীৰ পৰাও আঁতৰাই ৰাখে। সিহঁতকো ইংলেণ্ডলৈ লৈ নগৈ কলিকতাৰ হোষ্টেলতে এৰি থৈ

যায়।[১] *বাপিৰামত* ভুধৰৰ বিধৱা সুন্দৰী গাভৰু ভতিজাক তিলকাক উপপত্নী ৰূপে পাবলৈ বাগানৰ ইংৰাজ মেনেজাৰে নানান কৌশল অৱলম্বন কৰিছে।[২]

প্ৰেমচন্দৰ *শুদ্ৰা* নামৰ গল্পত এগৰাকী সুন্দৰী গাভৰু গৌৰাক এজন দালালে চক্ৰান্ত কৰি মিৰ্চ টাপুলৈ লৈ যায়। তাই তাতে কৰ্মৰত, হেৰোৱা গিৰিয়েক মগৰুক লগ পায়, কিন্তু টাপুৰ এজন ইংৰাজ বিষয়াৰ চকু পৰে গৌৰাৰ ওপৰত। মগৰুৰ বিবাহিতা পত্নী বুলি গম পায়ো তেওঁ তাইক শয্যা সঙ্গিনী ৰূপে পাবলৈ বিচাৰে। এই কাৰ্যৰ প্ৰতিবাদ কৰা বাবে মগৰুক চাহাবে চাবুকেৰে কোৰাই মৃতপ্ৰায় অৱস্থাত এৰি দিয়ে। গৌৰাই শেষত আত্মহত্যা কৰে।[৩] *বিচিত্ৰ হোলীত* চহৰৰ গণ্য-মান্য ব্যক্তি লাল উজাগৰমলক ইংৰাজ বিষয়া মিষ্টাৰ এ.বি. ক্ৰাসে সামান্য অজুহাততে শাৰীৰিকভাৱে অপদস্থ কৰিবলৈ খেদি যায়[৪] আৰু *দীক্ষাত* এজন উকীলক ইংৰাজ চাহাব এজনৰ ভাগৰ পৰা এবটল মদ খোৱাৰ কাৰণে শাৰীৰিক-মানসিকভাৱে অপদস্থ কৰিহে এৰি দিয়ে।[৫]

৪। লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দৰ সমসাময়িক ভাৰতবৰ্ষত ইংৰাজ চৰকাৰৰ অনুগত হৈ দেশীয় প্ৰজাক শোষণ কৰা ভাৰতীয় আমোলা, ডাঙৰীয়া, মৌজাদাৰ, জমিদাৰ আদি মধ্যবিত্ত শ্ৰেণীৰ লোকৰ কাৰ্যকলাপক লৈ দুয়োগৰাকী গল্পকাৰে গল্প ৰচনা কৰিছিল। বেজবৰুৱাৰ *ভেমপুৰীয়া মৌজাদাৰ* আৰু *ঘণ্টাকৰ্ণ শৰ্মা* এই বিষয়ৰ গল্প। প্ৰেমচন্দৰ *ৰিয়াসত কা দীৱান, বলিদান, ডামুল কা কয়দী, বিধ্বংস, সৱাসেৰ গেহু* আদি গল্পতো সদৃশ বিষয়বস্তু ৰূপায়িত হৈছে।

৫। ভাৰতীয় সমাজত ধৰ্ম আৰু জাত-পাতৰ নামত প্ৰচলিত বৈষম্য আৰু কু-সংস্কাৰক দুয়ো জন গল্পকাৰে গল্পৰ বিষয়বস্তুৰূপে নিৰ্বাচন কৰিছিল। বেজবৰুৱাৰ *নিস্তাৰিণী দেৱী* বা *ফাতেমা বিবি, কাশীবাসী, লম্বোদৰ ডেকা, জাতিৰামৰ জাত, ধৰ্মধ্বজ ফয়চলা নবিচ* এই

বিষয়বস্তুৰে ৰচিত গল্প। প্ৰেমচন্দৰ *সদ্‌গতি, মন্দিৰ, দুধ কা দাম, ঠাকুৰ কা কুঁৱা, খুন সফেদ* আদিতো একে বিষয়বস্তুৰেই ৰূপায়িত হৈছে। এই গল্পসমূহত দুয়োগৰাকী গল্পকাৰে ব্যঙ্গৰ প্ৰয়োগ কৰিছে আৰু প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। বেজবৰুৱাৰ *নিস্তাৰিণী দেৱী* বা *ফাতেমা বিবি* গল্পত ফাতেমা বিবিয়ে কৈছে—

> *এটা কথা কওঁ আমাৰ দেশখন জাতেই খালে। জাত জাতকৈ ইটোৱে সিটোক ঘিণাই, হিন্দু-মুছলমান বুলি এটা ধৰ্মৰ মানুহে আনটোক লেইলেই ছেই ছেই কৰি মিছাতে আমাৰ দেশখন জহন্নামে নিলে।*
>
> *(নিস্তাৰিণী দেৱী বা ফাতেমা বিবি, বেঃ গ্ৰঃ, প্ৰথম খণ্ড, পৃষ্ঠা ঃ ৫৮৪)*

*লম্বোদৰ ডেকা* আৰু *জাতিৰামৰ জাত* গল্পতো গল্পৰ কথকে জাতি, ধৰ্ম, বৰ্ণৰ নামত বিভেদ অনা সকলৰ বিৰুদ্ধে মাত মাতিছে।

প্ৰমেচন্দৰ গল্পতো জাত-পাত, ধৰ্ম, শুচি-অশুচি বুলি অৱহেলা কৰা সাধাৰণ লোকৰ মুখত এই ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ ধ্বনিত হৈছে। *মন্দিৰ* গল্পত সুখিয়াক মুচী সম্প্ৰদায়ৰ বুলি মন্দিৰত সোমাবলৈ বাধা দিয়া সকলক তাই কৈছে—

> *তেওঁতো সংসাৰৰ মালিক। তেওঁৰ দৰ্শন কৰি পাপীয়ো তৰে। মই চুলেই তেওঁ কেনেকৈ অপবিত্ৰ হৈ যাব?... ভগৱানে মুচীসকলক স্ৰজন কৰা নাই নেকি? নে মুচী সকলৰ ভগৱান আন কোনোবাহে?*
>
> *(মন্দিৰ, মানসৰোৱৰ-৫, পৃষ্ঠা ঃ ৩)*

প্ৰেমচন্দৰ *খুন সফেদ* গল্পত জাদোৰায়ৰ বৰপুত্ৰ সাধোৰ মুখেৰে, *পুস কী ৰাতত* মুন্নীৰ মুখেৰে আৰু *ঠাকুৰ কা কুঁৱাত* গংগীৰ মুখেৰে সমাজ ব্যৱস্থাৰ এই কেৰোণৰ বিষয়ে স্পষ্ট প্ৰতিবাদ ধ্বনিত হৈছে।

ভাৰতীয় সমাজত বিবাহৰ নামত যিবোৰ কু-সংস্কাৰ আৰু ৰীতি-নীতিৰ প্ৰচলন আছিল সেই সকলোবোৰক বিষয়বস্তু ৰূপে লৈ দুয়োজন গল্পকাৰে গল্পৰচনা কৰিছে। বাল্য বিবাহ,

অমিল বিবাহ, পুনৰ বিবাহ আৰু অসবৰ্ণ বিবাহে সৃষ্টি কৰা সমস্যাসমূহক বিষয়বস্তু ৰূপে লৈ ৰচিত প্ৰেমচন্দৰ *নৈৰাশ্য লীলা, সুভাগী, শান্তি-১, স্ত্ৰী অউৰ পুৰুষ, নৰক কা মাৰ্গ, কুসুম, মিচ পদ্‌মা, নয়া বিবাহ, কায়ৰ* আদি উল্লেখযোগ্য গল্প।

বেজবৰুৱাৰ *সেউতী, লাওখোলা, আমাৰ সংসাৰ-১, বাপিৰাম, ললিতী কাকতী, ৰচিত, চোৰ* আৰু *পাতমুগী* গল্পতো এই সমস্যাসমূহ ৰূপায়িত হৈছে।

৬। সাধাৰণ জনতাৰ ওপৰত সাধু, সন্ন্যাসী, পণ্ডিত আদি ধৰ্মীয় গুৰুৰ আধিপত্যক দুয়োগৰাকী গল্পকাৰে বিষয়বস্তুৰূপে নিৰ্বাচন কৰিছে। প্ৰেমচন্দৰ *বাবাজী কা ভোগ, সৱাসেৰ গেহু, নেউৰ, সত্যাগ্ৰহ* আদি গল্পত এই সমূহ বিষয়বস্তুৱে প্ৰাধান্য লাভ কৰিছে। বেজবৰুৱাৰ *জুৰমন ৰাইদঙীয়া, জাতিৰামৰ জাত, লম্বোদৰ ডেকা* আৰু *ধৰ্মধ্বজ ফয়চলা নবিচ* গল্পতো ধৰ্মীয় গুৰুৰ প্ৰাধান্য লক্ষ্য কৰিবলগীয়া।

৭। ভাৰতীয় পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীৰ স্থান আৰু মৰ্যদাক লৈ দুয়োজনে ভালেমান গল্প ৰচনা কৰিছে। প্ৰেমচন্দৰ *নিৰ্বাসন, ধিক্কাৰ-১, বেশ্যা, নৰক কা মাৰ্গ, শুদ্ৰা, নৈৰাশ্য, শান্তি-১, বেট'ৱালী বিধৱা, কুসুম, মিচ পদ্‌মা* আদি গল্পত নাৰী সম্বন্ধীয় বিষয়বস্তু ৰূপায়িত হৈছে। বেজবৰুৱাৰ *সেউতী, মালতী, ভদৰী, পাতমুগী, ললিতী কাকতী, ৰচিত, লাওখোলা, চেনিচম্পা, শিৱ প্ৰসাদ, আমালৈ নেপাহৰিব, কাশিবাসী* আদি গল্পতো এই বিষয়বস্তুৰেই অৱতাৰণা কৰা হৈছে।

ভাৰতীয় সমাজত বিধৱা নাৰীসকলে সন্মুখীন হোৱা সমস্যাৱলী দুয়োৰে গল্পত ৰূপায়িত হৈছে। বেজবৰুৱাৰ নলিনী (*লাওখোলা*), সৰু বোৱাৰী (*এৰাবাৰী*), ফাতেমা বিবি (*নিস্তাৰিণী দেৱী বা ফাতেমা বিবি*), প্ৰেমচন্দৰ ফুলমতী (*বেট'ৱালী বিধৱা*), কৈল্যাস কুমাৰী (*নৈৰাশ্য লীলা*), সুভাগী (*সুভাগী*), মানি (*ধিক্কাৰ-১*) আদিৰ মাজেৰে এই সমস্যাৱলী দাঙি ধৰিছে।

৮। দুয়োগৰাকী গল্পকাৰে তেওঁলোকৰ গল্পত মানৱীয় প্ৰেমৰ বিভিন্ন দিশত আলোকপাত কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাৰ *ৰতনমুণ্ডা, কনকলতা, মাধৈ-মালতী, কন্যা* আদি গল্পত ডেকা-গাভৰুৰ প্ৰেম আৰু *ভদৰী, জয়ন্তী, চোৰ, ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ* আদি গল্পত বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত দম্পত্তিৰ খহতা ৰূপৰ তলত লুকাই থকা দাম্পত্য প্ৰেমৰ চিত্ৰ অংকন কৰিছে। অগভীৰ আৰু ভগ্ন প্ৰেমৰ পৰিণতি *গীতা, পাতমুগী, প্ৰথম দৰ্শনত ওপজা প্ৰেম, চেনিচম্পা, শিৱপ্ৰসাদ* আদি গল্পৰ মাজেৰে দাঙি ধৰিছে।

প্ৰেমচন্দৰ *স্বৰ্গ কী দেৱী, স্ত্ৰী অউৰ পুৰুষ, গিলা, শুদ্ৰা, আধাৰ, শিকাৰ, ঘাসৱালী, সতী* আদি গল্পত বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ মাজতো সজীৱ হৈ থকা দাম্পত্য প্ৰেমৰ মধুৰ চিত্ৰ অংকিত হৈছে। তেওঁৰ *বিশ্বাস, যাদু, দীল কী ৰাণী, লৈলা, বিদ্ৰোহী, জ্যোতি, বেশ্যা* আদি গল্পত ডেকা গাভৰুৰ গভীৰ প্ৰেম আৰু *মিচ পদ্‌মা, কায়ৰ, কয়দী* আদি গল্পৰ মাজেৰে ভগ্ন আৰু অগভীৰ প্ৰেমৰ পৰিণতি দাঙি ধৰিছে।

৯। প্ৰেমচন্দ আৰু লক্ষ্মীনাথ বেজবৰুৱাই তেওঁলোকৰ গল্পত পাৰিবাৰিক জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, কাজিয়া-পেচাল, মান-অভিমানক বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছে। বিশেষকৈ প্ৰেমচন্দৰ গল্পৰ মুখ্য বিষয়েই আছিল পৰিয়াল। সেয়ে তেওঁৰ ভালেমান গল্পত সংযুক্ত পৰিয়ালৰ নানান সমস্যা আৰু তাৰ মনোবৈজ্ঞানিক সমাধানৰ পথ নিৰ্দেশ কৰিছে। *অলগ্যোঝা, ঘৰজমাই, বেটৱালী বিধৱা, শংখনাদ, সুজান ভগত, জ্যোতি, গৃহদাহ, গৃহনীতি, ঝাঁকী, আধাৰ, সুভাগী* আদি এই বিষয়ৰ উল্লেখযোগ্য গল্প।

বেজবৰুৱাৰ গল্পতো পৰিয়ালৰ সুখ-দুখ, হাঁহি-কান্দোন, কাজিয়া-পেচাল, মান-অভিমানে বিষয়বস্তু ৰূপে স্থান পাইছে। ফিৰিঙতিৰ পৰা *খাণ্ডৱদাহ, মুক্তি, ভোকেন্দ্ৰ বৰুৱা, মাধৈমালতী, কনকলতা, জগৰা মণ্ডলৰ প্ৰেমাভিনয়* আদি গল্পত পৰিয়ালৰ বিভিন্ন চিত্ৰ প্ৰতিফলিত হৈছে।

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনৰ গল্পতে সমসাময়িক পৰিয়ালসমূহৰ পতি-পত্নীৰ সম্বন্ধত স্নেহহীনতা, বিশ্বাসঘাটকতা, দায়িত্বহীনতা, স্বাৰ্থপৰতা আদি প্ৰকাশ পাইছে। বেজবৰুৱাৰ *চোৰ, পাতমুগী, ললিতী কাকতী, ৰচিত, যেনে চোৰ তেনে টাঙোন,* প্ৰেমচন্দৰ *কৌশল, নিৰ্বাসন, বহিষ্কাৰ, নৰক কা মাৰ্গ, কুসুম, মিচ পদ্‌মা, নয়া বিৱাহ, নৈৰাশ্য* আদি গল্পত দাম্পত্য জীৱনৰ এই কৰুণ, বাস্তৱ চিত্ৰ প্ৰতিফলিত হৈছে।

১০। ব্যক্তি জীৱনৰ বিভিন্ন কাৰ্যাৱলী, গুণ-দোষ, সুখ-দুখ, প্ৰেম-ভালপোৱা, নৈতিকতা আদিক বিষয়বস্তু ৰূপে লৈ বেজবৰুৱা আৰু প্ৰেমচন্দে ভালেমান গল্প ৰচনা কৰিছে। বিশেষকৈ নৈতিকতা সম্বন্ধীয় সমস্যাবোৰৰ ওপৰত প্ৰেমচন্দে এই গল্পসমূহৰ মাজেৰে আলোকপাত কৰিছে। *বিশ্বাস, উদ্ধাৰ, ৰিয়াসত কা দীৱান, পৰীক্ষা, বাসী ভাত মে খুদা কা সাঝা, দীক্ষা, মুক্তিমাৰ্গ, দুৰ্গা কা মন্দিৰ, সচ্চাই কা উপহাৰ, সজ্জনতা কা দণ্ড, নমক কা দাৰোগা* আদি গল্প নৈতিকতাৰ আধাৰত ৰচিত। বেজবৰুৱাৰ *গীতা, নকও, চোৰ, পাতমুগী, বাপিৰাম, লোভ* আদি গল্প নৈতিকতাৰ আধাৰত ৰচিত।

১১। বেজবৰুৱাৰ কেইটামান গল্পৰ বিষয়বস্তু অসমীয়া সমাজৰ কিছুমান প্ৰাচীন আঢ্যৱন্ত পৰিয়ালৰ অৱক্ষয়। *ধোঁৱা-খোৱা, চোৰ, মাউৰা* আদি গল্পত এই বিষয়বস্তু ৰূপায়িত হৈছে। প্ৰেমচন্দৰ *মৃতকভোজ, বেট'ৱালী বিধৱা* আদি গল্পতো প্ৰতিপত্তিশীল পৰিয়ালৰ অৱক্ষয়ৰ চিত্ৰ দেখিবলৈ পোৱা যায়।

১২। জাতীয় জীৱনৰ বিপৰ্যয়ক লৈ দুয়োজন গল্পকাৰে গল্প ৰচনা কৰিছে। মানৰ আক্ৰমণক বিষয়বস্তু ৰূপে লৈ ৰচনা কৰা গল্প *জয়ন্তীত* বেজবৰুৱাই অসমত মানৰ আক্ৰমণৰ সময়ৰ এটা ভয়াৱহ ঘটনাৰ চিত্ৰ দাঙি ধৰিছে। *কাশীবাসী* আৰু *ধৰ্ম্মধ্বজ ফয়চলা নবিচতো* মানৰ আক্ৰমণৰ ভয়াৱহতা আৰু তাৰ পৰিণতিৰ ছবি প্ৰতিফলিত হৈছে।

প্ৰেমচন্দেও তেওঁৰ গল্প পৰীক্ষা, বজ্ৰপাত আদিত নাদিৰচাহৰ ভাৰত আক্ৰমণৰ সময়ৰ ভয়াৱহ ঘটনাৰ ছবি দাঙি ধৰিছে।

**৪.২.২ বৈসাদৃশ্য ঃ**

১। লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পৰ বিষয়বস্তুৰ সততে সাদৃশ্য দেখিবলৈ পোৱা যায় যদিও পাৰ্থক্যও পৰিলক্ষিত হয়। বিশেষকৈ প্ৰেমচন্দৰ গল্পৰ বিষয়বস্তুৰ যি ভিন্নতা আৰু গভীৰতা সেয়া বেজবৰুৱাৰ সৰহভাগ গল্পতে দেখিবলৈ পোৱা নাযায়। বেজবৰুৱাতকৈ প্ৰেমচন্দৰ গল্পৰ সংখ্যা সৰহ আৰু বিষয়বস্তুৰ পৰিসৰো বিস্তৃত।

২। প্ৰেমচন্দে সমসাময়িক ৰাজনৈতিক সমস্যাৱলীক লৈ, বিশেষকৈ ভাৰতীয় স্বাধীনতা সংগ্ৰামক বিষয়বস্তু ৰূপে লৈ ভালেমান গল্প ৰচনা কৰিছে। তেওঁৰ *সত্যাগ্ৰহ, অনুভৱ, মাতা কা হৃদয়, মা, সুহাগ কী শাড়ী, ডিক্ৰী কে ৰূপয়ে, সমৰযাত্ৰা, তাৱান* আদি গল্পৰ বিষয়বস্তু প্ৰত্যক্ষভাৱে স্বাধীনতা সংগ্ৰামৰ সৈতে জড়িত কিন্তু বেজবৰুৱাই প্ৰত্যক্ষভাৱে স্বাধীনতা সংগ্ৰামক বিষয়বস্তু ৰূপে লৈ গল্প ৰচনা কৰা নাই।

৩। সমসাময়িক সমাজৰ ভাঙিবলৈ ধৰা যৌথ পৰিয়ালৰ বিভিন্ন সমস্যা আৰু তাৰ মনোবৈজ্ঞানিক সমাধান প্ৰেমচন্দৰ গল্পৰ মুখ্য বিষয় আছিল কিন্তু বেজবৰুৱাৰ গল্পত মাজে মাজে দাম্পত্য কলহে বা অন্য কোনো সমস্যাই ভুমুকি মাৰিছে যদিও পৰিয়ালে তেওঁৰ গল্পত মুখ্য ভূমিকা গ্ৰহণ কৰা নাই।

৪। প্ৰেমচন্দে ভাৰতীয় কৃষক আৰু মজদুৰৰ বিভিন্ন সমস্যাক বিষয়ৰূপে লৈ সৰহভাগ গল্প ৰচনা কৰিছে। তেওঁৰ *পুসকী ৰাত, বলিদান, মুক্তিধন, সৱাসেৰ গেহু, খুন সফেদ* আদি গল্পত কৃষক-মজদুৰৰ বিভিন্ন সমস্যাৰ চিত্ৰণ দেখিবলৈ পোৱা যায়; কিন্তু বেজবৰুৱাৰ গল্পত প্ৰসঙ্গ ক্ৰমে কৃষকৰ দুই এটা সমস্যা উল্লেখ কৰিছে যদিও তেওঁ এই সমস্যা সমূহক গল্পৰ মূল বিষয়ৰূপে উত্থাপন কৰা নাই।

৫। মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কক বিষয়বস্তু ৰূপে লৈ বেজবৰুৱাই ৰচনা কৰা *মুক্তি, জলকুঁৱৰী, কন্যা নকওঁ* আদিৰ দৰে গল্প প্ৰেমচন্দে ৰচনা কৰা নাই। তেওঁৰ গল্পত প্ৰকৃতিৰ বৰ্ণনা থাকিলেও মানুহ আৰু প্ৰকৃতিৰ আন্তৰিক সম্পৰ্কৰ বিশেষ চিত্ৰ পোৱা নাযায়।

৬। প্ৰেমচন্দে বিধৱা বিবাহক সমৰ্থন কৰি ৰচনা কৰা গল্প *সুভাগী, বালক, অলগ্যোঝা, স্বামিনী, আধাৰ* আদিৰ দৰে বিষয়বস্তুৰে বেজবৰুৱাই গল্প ৰচনা কৰা নাই।

**৪.৩. চৰিত্ৰ ঃ**

চৰিত্ৰ চুটিগল্পৰ এটা অপৰিহাৰ্য উপাদান। চুটিগল্পৰ প্লট বা কাহিনী নিৰ্মাণত চৰিত্ৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। চুটিগল্পত কেৱল চৰিত্ৰৰ জৰিয়তেই গল্পকাৰৰ অনুভৱ, আদৰ্শ আৰু পাঠক সমাজলৈ প্ৰেৰণ কৰিব খোজা বাৰ্তাৰ উমান পাব পাৰি।

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পত চৰিত্ৰই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। সেয়ে দুয়োগৰাকী গল্পকাৰৰ ভালেমান গল্প চৰিত্ৰ প্ৰধান। এই গল্পবোৰ একোটা চৰিত্ৰৰ নামেৰে নামকৰণ কৰিছে। বেজবৰুৱাৰ *ভোকেন্দ্ৰ বৰুৱা, ভেমপুৰীয়া মৌজাদাৰ, নাঙলুচন্দ্ৰ, মলক গুইন গুইন, পাতমুগী, ললিতী কাকতী, বাপিৰাম* আদি গল্প মুখ্য চৰিত্ৰৰ নামেৰে নামকৰণ কৰিছে। সেইদৰে প্ৰেমচন্দৰ *কুসুম, জ্যোতি, সুভাগী, নেউৰ, লৈলা, মেকু* আদি গল্প চৰিত্ৰৰ নামেৰে নামকৰণ কৰিছে। বেজবৰুৱা আৰু প্ৰেমচন্দে তেওঁলোকৰ গল্পৰ চৰিত্ৰসমূহ সমসাময়িক সমাজৰ পৰা বুটলি আনিছে। এই চৰিত্ৰ সমূহৰ ভিতৰত ভাৰতীয় পুৰুষ প্ৰধান সমাজ ব্যৱস্থাক প্ৰতিনিধিত্ব কৰা পুৰুষ চৰিত্ৰ, মানৱীয় গুণেৰে বিভূষিত পুৰুষ চৰিত্ৰ, ভাৰতীয় পৰম্পৰাক প্ৰতিনিধিত্ব কৰা নাৰী চৰিত্ৰ, আধুনিক মনৰ নাৰী চৰিত্ৰ আৰু কিশোৰ-কিশোৰীৰ চৰিত্ৰ বিদ্যমান। সেয়ে দুয়োগৰাকী গল্পকাৰৰ চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত ভালেমান সাদৃশ্য পৰিলক্ষিত হয়। অৱশ্যে দুয়োগৰাকীৰ চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত বৈসাদৃশ্যও দেখিবলৈ পোৱা যায়।

৪.৩.১. সাদৃশ্য ঃ

১। বেজবৰুৱাৰ গল্পত পুৰুষ প্ৰধান সমাজৰ প্ৰতিনিধিত্ব কৰিছে *ভদৰী* গল্পৰ শিশুৰাম, *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ*ৰ হাকিম ডম্বৰুধৰ বৰুৱা মনচুপ, *বাপিৰাম* গল্পৰ ভুধৰ খাটনিয়াৰ, *যেনে চোৰ তেনে টাঙোন*ৰ ৰুদাই, *লাওখোলা*ৰ নলিনীৰ ভাইশহুৰজন, *ললিতী কাকতী*ৰ স্বামী শ্ৰীকান্ত হাজৰিকা, *ৰচিত* গল্পৰ বৃন্দাৰ স্বামী আৰ. জে. বৰুৱা আদিয়ে।

প্ৰেমচন্দৰ গল্প *নৰক কা মাৰ্গ*ৰ নাৰীগৰাকীৰ গিৰিয়েক, *নিৰ্বাসন* গল্পৰ মৰ্যদাৰ পতি পৰশুৰাম, *ঘাসৱালী*ৰ ঠাকুৰ চৈনসিং, *সুভাগী*ৰ ৰামু, *বেট'ৱালী বিধৱা*ৰ তিনিপুত্ৰ কমতানাথ, দয়ানাথ আৰু উমানাথ, *শান্তি-১*ৰ কেদাৰনাথ, *মনোবৃত্তি*ৰ বৃদ্ধ উকীল, *মৃতকভোজ*ৰ ঝাবৰমল, *নৈৰাশ্য*ৰ নিৰুপমাৰ স্বামী ঘমণ্ডী লাল, *বালক* গল্পৰ কথক আদি পুৰুষ চৰিত্ৰই ভাৰতীয় পুৰুষ প্ৰধান সমাজ ব্যৱস্থাক প্ৰতিনিধিত্ব কৰিছে। দুয়োগৰাকী গল্পকাৰৰ পুৰুষ চৰিত্ৰ সমূহৰ হাতত কেতিয়াবা মাতৃ, কেতিয়াবা পত্নী আৰু কেতিয়াবা বাই-ভনী নিৰ্যাতিত, অপমানিত হৈছে।

২। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনে তেওঁলোকৰ গল্পত পৰম্পৰাগত ভাৰতীয় নাৰীৰ চৰিত্ৰ অংকন কৰিছে। এই চৰিত্ৰসমূহে স্বামীয়েই পৰমগুৰু বুলি তেওঁলোকৰ সেৱা সৎকাৰ কৰিছে। ল'ৰা-ছোৱালী লালন-পালন কৰিছে। সৰু সৰু কথাতে গিৰিয়েকৰ গালি-শপনি, মাৰ-ধৰ খায়ো প্ৰতিবাদ কৰা নাই। বেজবৰুৱাৰ *ভদৰী* গল্পৰ ভদৰী, *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ* গল্পৰ হাকিমৰ পত্নী, *লাওখোলা*ৰ নলিনীৰ জাক গৰাকীয়ে এই সকল নাৰীক প্ৰতিনিধিত্ব কৰিছে।

প্ৰেমচন্দৰ গল্প *নৈৰাশ্য*ৰ নিৰুপমা, *নিৰ্বাসন*ৰ মৰ্যদা, *শান্তি-২* পত্নীগৰাকী, *নৰক কা মাৰ্গ*ৰ পত্নী গৰাকী, *বেট'ৱালী বিধৱা*ৰ বৃদ্ধা মাতৃ ফুলমতী, *কায়ৰ*ৰ প্ৰেমা আদি নাৰীয়ে এই শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে।

৩। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজন গল্পকাৰে প্ৰচলিত সমাজ ব্যৱস্থাৰ বলি হৈয়ো সেই ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব নোৱাৰি, প্ৰচলিত ব্যৱস্থাক মানি নলৈ আত্মহত্যাৰ দৰে পথ বাচি লোৱা নাৰী চৰিত্ৰ অংকণ কৰিছে। বেজবৰুৱাৰ *এৰাবাৰী* গল্পৰ সৰু বোৱাৰী, প্ৰেমচন্দৰ *ধিক্কাৰ-১* গল্পৰ মানি, *কায়ৰ* গল্পৰ প্ৰেমা, *শান্তি-১*ৰ সুন্নী আৰু *মৃতক ভোজ*ৰ কিশোৰী ৰেৱতীয়ে প্ৰচলিত সমাজৰ ব্যৱস্থাৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিবাদ যেন এনেকৈয়ে সাব্যস্ত কৰিছে। বেজবৰুৱাৰ গল্পত পাতমুগী (*পাতমুগী*), ললিতী (*ললিতী কাকতী*), তিলকা (*বাপিৰাম*) আদি নাৰী চৰিত্ৰই নিজৰেই আত্মীয়-স্বজনৰ পৰা পোৱা মানসিক নিৰ্যাতনৰ বাবে স্বাভাৱিক জীৱন-যাপনৰ পৰা আঁতৰি গৈ মানৱ সেৱাকেই জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছে।

৪। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনৰ গল্পতে আধুনিক মনৰ নাৰী চৰিত্ৰৰ চিত্ৰণ দেখিবলৈ পোৱা যায়। ভাৰতীয় প্ৰাচীন মূল্যবোধক সন্মান জনায়ো পুৰুষ প্ৰধান ভাৰতীয় সমাজত নিজৰ অধিকাৰ আৰু অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পৰা নাৰী চৰিত্ৰ দুয়োজনে অংকন কৰিছে। বেজবৰুৱাৰ *ললিতী কাকতী* গল্পৰ ললিতী, *পাতমুগী* গল্পৰ পাতমুগী, *যেনে চোৰ তেনে টাঙোন* গল্পৰ ৰুদাইৰ ঘৈণীয়েক, *লাওখোলা* গল্পৰ নলিনী আৰু *ৰচিত* গল্পৰ বৃন্দা এনে শ্ৰেণীৰ চৰিত্ৰ। নলিনীয়ে জীৱিত অৱস্থাত কোনো প্ৰতিকাৰ বা প্ৰতিবাদৰ সুযোগ নাপালে যদিও মৃত্যুৰ পিছত প্ৰেতাত্মাৰ ৰূপত আবিৰ্ভাৱ হৈয়েই সেই কাম ফেৰা সামাধা কৰিছে।

প্ৰেমচন্দৰ *কুসুম* গল্পৰ কুসুম, *বিশ্বাস* গল্পৰ মিচ যোচী, *ঘাচৱালী*ৰ মূলীয়া, *মন্দিৰ*ৰ সুখীয়া, *সুভাগী* গল্পৰ সুভাগী আদিয়ে এই শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে।

৫। মানৱীয় গুণ-দোষক আধাৰ ৰূপে লৈ দুয়োজন গল্পকাৰে ভালেমান চৰিত্ৰ অংকন কৰিছে। সমসাময়িক ভাৰতীয় সমাজৰ কিছুমান শিক্ষিত, অৰ্দ্ধ শিক্ষিত ব্যক্তিৰ ভণ্ডামী,

কপটতা, বিলাস, প্ৰৱঞ্চনা আৰু কাপুৰুষালিৰ চিত্ৰ দুয়ো ভালেমান চৰিত্ৰৰ মাজেৰে অংকন কৰিছে। বেজবৰুৱাৰ ভোকেন্দ্ৰ বৰুৱা, মলক গুইন গুইন, ভেমপুৰীয়া মৌজাদাৰ, ডম্বৰুধৰ বৰুৱা মনচুপ, মিলাৰাম, ঘণ্টাকৰ্ণ শৰ্মা, ভূধৰ খাটনিয়াৰ, শ্ৰীকান্ত হাজৰিকা, মিষ্টাৰ জে. আৰ. বৰুৱা আদি চৰিত্ৰই সেই শ্ৰেণী লোকৰ প্ৰতিনিধিত্ব কৰিছে। এই চৰিত্ৰবোৰ তেওঁ টাইপ চৰিত্ৰ ৰূপে নিৰ্মাণ কৰিছে।

প্ৰেমচন্দৰ *বিশ্বাস* গল্পৰ মিষ্টাৰ জোহৰী, *ৰিয়াচত কা দীৱান*ৰ ৰাজা চাহাব, *সত্যাগ্ৰহ*ৰ মোটেৰাম শাস্ত্ৰী, *শতৰঞ্জ কে খিলাড়ী*ৰ মীৰ আৰু মিৰ্জা আদি চৰিত্ৰ এই শ্ৰেণীৰ উৎকৃষ্ট উদাহৰণ।

৬। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনে অসৎ চৰিত্ৰ সমূহৰ বিপৰীতে সৎ, পুৰুষ চৰিত্ৰৰো অংকন কৰিছে। বেজবৰুৱাৰ *নকওঁ* গল্পৰ কথক কিশোৰগৰাকী, *ৰচিত* গল্পৰ বৃন্দাৰ পিতৃ কমললোচন বৰুৱা, *মলক গুইন গুইন*ৰ তোলন সাজতোলা, *ধোঁৱাখোৱা*ৰ নাৰৱীয়া দুজন, *বাপিৰাম* গল্পৰ বাপিৰাম এই শ্ৰেণী চৰিত্ৰৰ উদাহৰণ। প্ৰেমচন্দৰ গল্প *মুক্তিধন*ৰ ৰহমান, *বিশ্বাস*ৰ মিষ্টাৰ আপটে, *ৰিয়াসত কা দীৱান*ৰ মেহতা, *নমক কা দাৰোগা*ৰ মুন্সী বংশীধৰ, *সজ্জনতা কা দণ্ড*ৰ শিৱসিংহ, *অনুভৱ* গল্পৰ নাৰীগৰাকীৰ স্বামীৰ বন্ধুজন, *উদ্ধাৰ* গল্পৰ হাজাৰী লাল, *ক্ষমা* গল্পৰ পিতৃগৰাকী, *সৌভাগ্য কে কোড়ে*ৰ নাথুৰা আদি ভালেমান সৎ চৰিত্ৰ অংকন কৰিছে।

৭। প্ৰেমচন্দ আৰু বেজবৰুৱাই তেওঁলোকৰ গল্পত নাৰী চৰিত্ৰসমূহ অধিক সৎ ৰূপে অংকন কৰিছে যদিও দুই এটা ব্যতিক্ৰম দুয়োগৰাকীৰ গল্পতে দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ *চোৰ* গল্পৰ লোকনাথ বৰুৱাৰ দ্বিতীয়া পত্নী বৰুৱানী, *সেউতী* গল্পৰ সেউতীৰ শাহুৰেক আৰু বাইশাহুজনী ব্যভিচাৰী আৰু নিৰ্দয় নাৰী ৰূপে অংকিত হৈছে।

প্ৰেমচন্দৰ *নৰক কা মাৰ্গৰ* বুঢ়ীজনী, *সদ্গতিৰ* ঠাকুৰৰ পত্নী, লাঞ্চন-১ ৰ জুমন *ধিক্কাৰ-১* গল্পৰ মানিৰ খুড়ীয়েকজনী, *তেন্তৰ* গল্পৰ শাহুৱেক, *গৃহ-দাহ* গল্পৰ মাহীমাক দেবপ্ৰিয়া মৰম-দয়াহীন একোজনী অসৎ নাৰী ৰূপে অংকিত হৈছে।

৮। দুয়োজন গল্পকাৰৰ গল্পতে মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত নাৰী চৰিত্ৰ দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ *পাতমুগী* গল্পৰ পাতমুগী আৰু *ললিতী কাকতী* গল্পৰ ললিতী জীৱনত বহু প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হৈ শেষত গান্ধীৰ আদৰ্শৰে মানৱ সেৱা কৰি জীৱনৰ পথত আগবাঢ়িবলৈ সংকল্প লৈছে। প্ৰেমচন্দৰ *সমৰযাত্ৰা* গল্পৰ নোহৰী আৰু *মাঁ* গল্পৰ কৰুণা মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈছে। তেওঁ বহু প্ৰতিকূল পৰিস্থিতিতো সেই আদৰ্শ ত্যাগ কৰা নাই।

৯। লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনে তেওঁলোকৰ গল্পত কেইবাটাও শিশু, কিশোৰ-কিশোৰীৰ চৰিত্ৰ অংকন কৰিছে আৰু এই চৰিত্ৰসমূহৰ জৰিয়তে সেই সময়ৰ সমাজত শিশু কিশোৰৰ অৱস্থা আৰু শিশু মনস্তত্বৰ উমান পাব পাৰি। বেজবৰুৱাৰ *মুক্তি* গল্পৰ সুকুমাৰ, *নকওঁ* গল্পৰ কিশোৰজন আৰু *দচ্মন্তৰ* গল্পৰ দচ্মন্তৰৰ মাজেৰে তিনিটা কিশোৰ-মনৰ বৈশিষ্ট্য প্ৰকাশ পাইছে।

প্ৰেমচন্দৰ জনপ্ৰিয় গল্প *ঈদগাহৰ* হামিদ, *সৌভাগ্য কে কোড়েৰ* নাথুৱা, *গুল্লী-ডণ্ডাৰ* গয়া আৰু তাৰ ধনী বন্ধুজন, *ডামুল কা কয়দীৰ* কৃষ্ণচন্দ আৰু বিন্নী, *দুধ কা দামৰ* মঙ্গল আৰু সুৰেশৰ মাজেৰে সেই সময়ৰ সমাজত চলি থকা জাত-পাত আৰু অৰ্থনৈতিক বিষমতাই শিশুমনত কেনে প্ৰভাৱ পেলাইছিল জানিব পাৰি।

১০। দুয়োজন গল্পকাৰৰ গল্পতে নিৰ্যাতিত বৃদ্ধৰ চৰিত্ৰ অংকিত হৈছে। এই নিৰ্যাতিত সকলৰ কোনোবাজন আত্মীয়ৰ দ্বাৰা আৰু কোনোবাজন সমাজৰ অন্য লোকৰ দ্বাৰা পিড়ীত

হৈছিল। বেজবৰুৱাৰ *পুত্ৰৱান পিতাৰ* কৃষ্ণচন্দ্ৰ মাখুৰ্য্য, পুতেক-বোৱাৰীয়েকৰ হাতত আৰু *মগনীয়াৰ বুঢ়াৰ* বৃদ্ধজন আৰু দচ্‌মন্তৰ গল্পৰ বৃদ্ধা গৰাকী বিভিন্ন কাৰণত অন্য লোকৰ দ্বাৰা অমানুষিক শাৰীৰিক মানসিক নিৰ্যাতনৰ সন্মুখীন হৈছে। প্ৰেমচন্দৰ *বুঢ়ী কাকীৰ* কাকী, *পঞ্চ পৰমেশ্বৰৰ* খালাঁ আত্মীয়ৰ দ্বাৰা অৱহেলিত, নিৰ্যাতিত আৰু অপমানিত হৈছে। সেইদৰে *বিধ্বংস* গল্পৰ বৃদ্ধা ভুনগী, *গৰীব কী হায়ৰ* মুংগা সমাজৰ অন্য লোকৰ দ্বাৰা নিপীড়িত হৈ প্ৰাণ হেৰুৱাইছে।

১১। প্ৰেমচন্দ আৰু বেজবৰুৱা দুয়োজনৰ গল্পতে কুসংস্কাৰেৰে পৰিপূৰ্ণ, জাত-পাতৰ নামত সাধাৰণ লোকক কষ্ট দি নিজকে ধন্য মনা ডাঙৰ মানুহৰ চৰিত্ৰ দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ *জাতিৰামৰ জাত* গল্পৰ মীনধৰ উকীল আৰু জাতিৰাম শৰ্মা, *লম্বোধৰ ডেকাৰ* ৰঘুনাথ চিৰস্তাদাৰ আৰু হৰিদেউ ফয়চলা নবিচ, *ধৰ্মধ্বজ ফয়চলা নবীচৰ* ফয়চলা নবীচ আদি চৰিত্ৰই এই শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে।

প্ৰেমচন্দৰ গল্প *সদ্‌গতিৰ* পণ্ডিত, তেওঁৰ পত্নী আৰু গাঁওবাসী, *মন্দিৰ* গল্পৰ পূজাৰী আৰু তাত সমবেত পুৰুষসকল, *খুন সফেদ* গল্পৰ জাদোৰায়ৰ বংশৰ লোকসকল, *ঠাকুৰ কা কুঁৱাৰ* ঠাকুৰ আদি লোক এই শ্ৰেণীৰ চৰিত্ৰ।

১২। চৰিত্ৰৰ হৃদয় পৰিৱৰ্তন দুয়োজন গল্পকাৰৰ গল্পতে দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ *পাতমুগী* গল্পৰ দদাই, *বাপিৰামৰ* ভূধৰ, *ভদৰীৰ* শিশুৰাম, *চোৰ* গল্পৰ পশুপতিৰ চৰিত্ৰ ঘটনাচক্ৰত পৰি সলনি হৈছে ভাল মানুহলৈ। প্ৰেমচন্দৰো ভালেমান গল্পত এনে চৰিত্ৰ বিদ্যমান। *মুক্তিমাৰ্গ* গল্পৰ ঝিংগুৰ আৰু বুদ্ধু, মুক্তিধনৰ মহাজন দাউদয়াল, *বিশ্বাসৰ* মিষ্টাৰ যোশী, *দামুল কা কয়দীৰ* সেঠ, *নমক কা দাৰোগাৰ* আলোপীদীন, *স্ত্ৰী অউৰ পুৰুষৰ* মিষ্টাৰ বিপিন, *জ্যোতি* গল্পৰ বুটী আদি চৰিত্ৰই গল্পৰ আৰম্ভণিতে আচৰণ কৰা

ব্যৱহাৰ শেষলৈ সলনি হৈছে। সেয়ে প্ৰেমচন্দক যথাৰ্থবাদী আদৰ্শোন্মুখ কথাকাৰ ৰূপে হিন্দী সাহিত্যত জনা যায়।

১৩। দুয়োজন গল্পকাৰে কেইবাটাও গল্পতে শ্ৰমজীৱী নাৰীৰ চৰিত্ৰ অংকন কৰিছে। বেজবৰুৱাৰ *নিস্তাৰিণী দেৱী* বা *ফাতেমা বিবিত* নিস্তাৰিণীয়ে মজদুৰ ৰূপে কাম কৰি থাকোতে গল্পৰ কথকৰ সৈতে দেখা হৈছে। তেওঁৰ আন এটা গল্প *দচমন্তৰত* দচমন্তৰৰ বুঢ়ী আইতাকে শাক-পাঁচলি বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছে। প্ৰেমচন্দৰ ভালেমান গল্পত শ্ৰমজীৱী নাৰীৰ ছবি অংকিত হৈছে। *ঘাসৱালী* গল্পৰ মূলীয়া, *সুভাগীৰ* সুভাগী, *বিধ্বংসৰ* ভুংগী আদি এই শ্ৰেণীৰ চৰিত্ৰ।

১৪। বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পত ভাৰতীয় সমাজ ব্যৱস্থাই সৃষ্টি কৰা কিছুমান নিষ্কৰ্মা, এলেহুৱা আৰু বিবেকহীন লোকৰ চৰিত্ৰ অংকন কৰিছে। বেজবৰুৱাৰ *ধোঁৱাখোৱা* গল্পৰ গঙ্গাৰাম মৌজাদাৰৰ পুতেক ৰামেশ্বৰ, *মাউৰাৰ* কৰ্মেশ্বৰ এই শ্ৰেণীৰ চৰিত্ৰ। প্ৰেমচন্দৰ *কফন* গল্পৰ পিতা-পুত্ৰ ঘীসু আৰু মাধৱেও এই শ্ৰেণীৰে প্ৰতিনিধিত্ব কৰিছে।

**৪.৩.২ বৈসাদৃশ্য ঃ**

১। প্ৰেমচন্দৰ গল্প ভাৰতীয় গাঁৱলীয়া সমাজৰ শোষিত-নিৰ্যাতিত দৰিদ্ৰ, নিম্ন মধ্যবিত্ত কৃষকৰ চৰিত্ৰৰে পৰিপূৰ্ণ। দেহা পানী কৰি, দিনে-নিশাই কষ্ট কৰিও দুবেলা দুমুঠি খাবলৈ নোপোৱা; মহাজন, ঠাকুৰ আৰু জমিদাৰৰ ঋণৰ বোজা দাঙিব নোৱাৰা *পুস কী ৰাতৰ* হল্কু, *বলিদানৰ* হলখু আৰু গিৰিধাৰী, *মুক্তিধনৰ* ৰহমান, *সৱা সেৰ গেহুঁৰ* শংকৰৰ দৰে চৰিত্ৰ বেজবৰুৱাৰ গল্পত দেখিবলৈ পোৱা নাযায়।

২। প্ৰেমচন্দৰ গল্পত ভালেমান মহাজন, শেঠ আৰু ঠাকুৰৰ চৰিত্ৰ অংকন কৰা হৈছে। দুখীয়া সাধাৰণ জনতাক চলে-বলে কৌশলে শোষণ কৰি খোৱা *সৱাসেৰ গেহু* গল্পৰ বিপ্ৰ

মহাজন, *মৃতকভোজ*ৰ কুবেৰ দাস আৰু ঝাবৰমল, *বলিদান*ৰ লালা ওংকাৰ নাথ আৰু মংগল সিং আদিৰ দৰে চৰিত্ৰ বেজবৰুৱাৰ গল্পত অনুপস্থিত।

৩। প্ৰেমচন্দে যিদৰে কৰুণা (*মাঁ*), বৃদ্ধা পূজাৰিণী (*ধিক্কাৰ*-২) আদি চৰিত্ৰৰ মাজেৰে শক্তিশালী, দেশভক্ত নাৰী চৰিত্ৰ সফলভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছে, বেজবৰুৱাৰ ক্ষেত্ৰত তেনে দেখা নাযায়।

**৪.৪ কলা-কৌশল ঃ**

বেজবৰুৱাৰ আৰু প্ৰেমচন্দৰ গল্পৰ কলা-কৌশলৰ মাজত ভালেমান সাদৃশ্য আৰু বৈসাদৃশ্য দেখিবলৈ পোৱা যায়।

**৪.৪.১ সাদৃশ্য ঃ**

১। বেজবৰুৱা আৰু প্ৰেমচন্দৰ সকলো গল্পৰে নিৰ্মাণ কৌশল একে নহয়। তেওঁলোকৰ কিছুমান গল্পত চুটিগল্পৰ সকলো বৈশিষ্ট্য দেখা পোৱা নাযায়। দুয়োৰে বেছিভাগ গল্পৰ সমাপ্তিত অতৃপ্তিৰ ব্যঞ্জনা নাই। কিন্তু বেজবৰুৱাৰ *ভদৰী, মুক্তি, পাতমুগী, জলকুঁৱৰী, কন্যা* আৰু প্ৰেমচন্দৰ *কফন, পুস কী ৰাত, ঠাকুৰ কা কুঁৱা, নশা, বড়ে ভাই সাহব* আদি গল্পত আধুনিক চুটিগল্পৰ বৈশিষ্ট্যসমূহ প্ৰকাশ পাইছে।

২। দুয়োৰে ভালেমান গল্প ব্যঙ্গ প্ৰধান আৰু হাস্য ৰসাত্মক। ব্যঙ্গ প্ৰদান গল্পসমূহে হাস্যৰসৰ লগতে কৰুণা আৰু ক্ষোভৰো উদ্ৰেক কৰে।

৩। দুয়োৰে গল্পৰ বৰ্ণনা ৰীতিৰ মাজতো সাদৃশ্য পৰিলক্ষিত হয়। তেওঁলোকৰ ভালেমান গল্প বৰ্ণনামূলক আৰু সাধুকথাধৰ্মী। বেজবৰুৱাৰ *বাপিৰাম, ভদৰী, চোৰ* আদি গল্প আৰু প্ৰেমচন্দৰ *সৱা সেৰ গেহুঁ, পৰীক্ষা, বলিদান* আদি গল্প এই শ্ৰেণীৰ। গল্পৰ কাহিনী বৰ্ণনাত দুয়ো কেতিয়াবা প্ৰথম পুৰুষত গল্পৰ এটা চৰিত্ৰৰূপে, কেতিয়াবা সৰ্বজন কথকৰ

ৰূপত কাহিনী বৰ্ণনা কৰে। দুয়োৰে গল্পত মাজে মাজে লেখকৰ উপস্থিতিও লক্ষ্য কৰা যায়। দুয়ো মাজে মাজে গল্পৰ কাহিনী বৰ্ণনাত সংলাপৰ প্ৰয়োগ কৰিছে।

কিছুমান গল্পত বক্তৃতাধৰ্মী আৰু ব্যঙ্গাত্মক বৰ্ণনা ৰীতিও দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ *জাতিৰামৰ জাত, লম্বোদৰ ডেকা, ফাতেমা বিবি, ভোকেন্দ্ৰ বৰুৱা, মলক গুইন গুইন* আদি গল্পত এই বৰ্ণনাৰীতি লক্ষ্য কৰা যায়। প্ৰেমচন্দৰ *সত্যাগ্ৰহ, নৈৰাশ্য লীলা, নৈৰাশ্য, উদ্ধাৰ, মুক্তিমাৰ্গ, শতৰঞ্জ কে খিলাড়ী* আদি গল্পত এই বৰ্ণনাৰীতি দেখিবলৈ পোৱা যায়।

৪। প্ৰেমচন্দ আৰু বেজবৰুৱা দুয়োৰে গল্পৰ ভাষা চহকী, সৰল আৰু জতুৱা ঠাঁচযুক্ত। দুয়ো গল্পত দীঘল আৰু চুটি দুই ধৰণৰ বাক্য ব্যৱহাৰ কৰিছে। মাজে মাজে লয় যুক্ত গদ্যৰ ব্যৱহাৰে গল্পৰ ভাষাক সমৃদ্ধিশালী কৰিছে।

উভয়ে তেওঁলোকৰ গল্পত ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰিছে। তৎসম, অৰ্ধতৎসম, তদ্ভৱ, দেশী, বিদেশী শব্দ দুয়ো ব্যৱহাৰ কৰিছে। নিজ নিজ ভাষাৰ শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত দুয়ো নিপুন আছিল। ইংৰাজী ভাষাৰ শব্দও তেওঁলোকে প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰিছে।

৫। বেজবৰুৱা আৰু প্ৰেমচন্দে গল্পৰ ভাষাত ভালেমান অলংকাৰ ব্যৱহাৰ কৰিছে। বিশেষকৈ উপমা আৰু ৰূপকৰ প্ৰচুৰ ব্যৱহাৰে তেওঁলোকৰ ভাষাক প্ৰভাৱশালী কৰিছে। অনুপ্ৰাস, বক্ৰোক্তি, অতিশেয়োক্তি আদি অলংকাৰো দুয়ো ব্যৱহাৰ কৰিছে।

৬। জতুৱা ঠাঁচ, খণ্ডবাক্য, ফকৰা-যোজনা, প্ৰবাদ-প্ৰৱচনৰ ব্যৱহাৰত দুয়ো সিদ্ধহস্ত, সেয়ে দুয়োৰে গল্প নিজা নিজা ভাষাৰ এই সম্পদ সমূহেৰে সমৃদ্ধ। দুয়ো কথিত ভাষাৰ ভালেমান শব্দ ব্যৱহাৰ কৰিছে। প্ৰয়োজন অনুসৰি কথ্য, মানৰূপ বা বেলেগ বেলেগ ভাষাও ব্যৱহাৰ কৰিছে।

৭। পৰিৱেশৰ সজীৱ আৰু সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনা দুয়োৰে গল্পৰ বৰ্ণনাৰীতিৰ বৈশিষ্ট্য।

**৪.৪.২ বৈসাদৃশ্য ঃ**

প্ৰেমচন্দ আৰু বেজবৰুৱাৰ গল্পৰ ব্যঙ্গ প্ৰয়োগৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। বেজবৰুৱাৰ যিবোৰ গল্প ব্যঙ্গ প্ৰধান আৰু হাস্য ৰসাত্মক সেইবোৰ আধুনিক চুটিগল্পৰূপে সাৰ্থক সৃষ্টি নহয়, কিন্তু প্ৰেমচন্দৰ সাৰ্থক চুটিগল্পসমূহতে প্ৰচণ্ড ব্যঙ্গ দেখিবলৈ পোৱা যায়। প্ৰেমচন্দৰ *কফন, পুস কী ৰাত, ঠাকুৰ কা কুঁৱা* আদি সফল গল্পতে ব্যঙ্গৰ প্ৰাধান্য পৰিলক্ষিত হয়।

**৪.৫ সামাজিক চিত্ৰ ঃ**

বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনৰ গল্পতে সমসাময়িক ভাৰতীয় সমাজৰ বিভিন্ন দিশৰ চিত্ৰ প্ৰতিফলিত হৈছে। দুয়োজনে তৎকালীন ভাৰতৰ দুখন ভিন্ন সমাজৰ চিত্ৰ অংকন কৰিছিল যদিও উভয়ৰ গল্পত প্ৰতিফলিত সমাজ দুখনৰ ভালেমান দিশত সাদৃশ্য পৰিলক্ষিত হয়। অৱশ্যে কিছু কিছু দিশত পাৰ্থক্যও নথকা নহয়।

৪.৫.১ সাদৃশ্য ঃ

প্ৰেমচন্দ আৰু বেজবৰুৱা দুয়োৰে গল্পত ইংৰাজৰ ঔপনিৱেশিক শাসন শোষণৰ কুফলত জৰ্জৰিত ভাৰতীয় সমাজৰ চিত্ৰ প্ৰতিফলিত হৈছে।

১। বৃটিছৰ শাসনকালত দেশী-বিদেশী শাসক আৰু উচ্চবৰ্গৰ বিষয়া-কৰ্মচাৰীয়ে জনসাধাৰণক শোষণ কৰিছিল। তলতীয়া কৰ্মচাৰী সকলো এই ক্ষেত্ৰত কম নাছিল। শাসন ব্যৱস্থাৰ পৰা আৰম্ভ কৰি অফিচ আদালত সকলোতে সাধাৰণ জনতা শোষণৰ বলি হৈছিল। বেজবৰুৱাৰ *মিষ্টাৰ ফিপ্সন, পাতমুগী, ভেমপুৰীয়া মৌজাদাৰ* আৰু *বাপিৰাম* গল্পত এই শোষণৰ ছবি প্ৰতিফলিত হৈছে। প্ৰেমচন্দৰ *শুদ্ৰা, ৰিয়াসত কা দীৱান, বিধ্বংস, বলিদান* আদি গল্পৰ মাজেৰে সেই শোষণৰ চিত্ৰ ফুটি উঠিছে।

২। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনে সমসাময়িক সমাজৰ এচাম নতুন ধনী লোকৰ কাৰ্য-কলাপৰ চিত্ৰ অংকন কৰিছে। ইংৰাজৰ ছত্ৰছায়াত সৃষ্টি হোৱা এই শ্ৰেণী লোকৰ বিলাসিতা, অহংকাৰ, লোভ আৰু সুবিধাবাদী কাৰ্য-কলাপৰ চিত্ৰ দুয়োগৰাকী গল্পকাৰে অংকন কৰিছে। বেজবৰুৱাৰ *ভেমপুৰীয়া মৌজদাৰ, মলক গুইন গুইন, বাপিৰাম, ঘণ্টাকৰ্ণ শৰ্মা*, প্ৰেমচন্দৰ *বিশ্বাস, ৰিয়াসত কা দীৱান, ভাড়ে কা টাট্টু, বিচিত্ৰহোলী, শতৰঞ্জকা খিলাড়ী* আদি গল্পৰ মাজেৰে সেই চিত্ৰ অংকিত হৈছে।

৩। বৃটিছৰ শাসন কালত পুঁজিবাদী অৰ্থনীতিৰ হেঁচাত স্থানীয় ক্ষুদ্ৰ ব্যৱসায়ীসকল বিধ্বস্ত হৈছিল। বেজবৰুৱাৰ *পাতমুগী, প্ৰেমচন্দৰ বলিদান* আৰু *তাৱান* গল্পত এই চিত্ৰ প্ৰতিফলিত হৈছে।

৪। ইংৰাজৰ শাসন কালত পূৰ্বৰ বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈ অৱক্ষয়ৰ গৰাহত পৰি বিধ্বস্ত হোৱা আঢ্যৱন্ত পৰিয়ালৰ চিত্ৰ দুয়োজন গল্পকাৰে অংকন কৰিছে। বেজবৰুৱাৰ *চোৰ, ধোঁৱাখোৱা* আৰু *মাউৰা* গল্পত এই চিত্ৰ প্ৰতিফলিত হৈছে। প্ৰেমচন্দৰ *সৌভাগ্য কে কোড়ে, মৃতক-ভোজ, শতৰঞ্জ কে খিলাড়ী, বেট'ৱালী বিধৱা* আদি গল্পতো আঢ্যৱন্ত পৰিয়ালৰ অৱক্ষয়ৰ চিত্ৰ অংকিত হৈছে।

৫। ইংৰাজৰ আমোলত সমাজত দুৰ্নীতিৰ বেহা বহিছিল। সাধাৰণ জনতাক সমাজৰ এই ব্যাধিয়ে জুৰুলা কৰিছিল। দুয়োজন গল্পকাৰৰ গল্পতে সেই চিত্ৰ প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ *ঘণ্টাকৰ্ণ শৰ্মা, ভেমপুৰীয়া মৌজাদাৰ, পাতমুগী, ভোকেন্দ্ৰ বৰুৱা* গল্পত এই দুৰ্নীতিৰ ছবি অংকিত হৈছে। প্ৰেমচন্দৰ *দণ্ড, ৰিয়াচত কা দীৱান, সজ্জনতা কা দণ্ড, নমক কা দাৰোগা, বাসী ভাত মে খুদা কা সাঝা* আদি গল্পত এই দিশ প্ৰতিফলিত হৈছে।

৬। বেজবৰুৱা আৰু প্ৰেমচন্দৰ সমসাময়িক সমাজত মদ, ভাং, কানি আদি ৰাগিয়াল দ্ৰব্যৰ অবাধ প্ৰচলন ঘটিছিল। কৰ্মহীনতাৰ ব্যাধিয়ে সমাজখনক ছানি ধৰিছিল। সমাজৰ এই

ছবি বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োৰে গল্পত প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ *ধোঁৱাখোৱা, মাউৰা, চেনিচম্পা, মিলাৰামৰ আত্মজীৱনী, আমাৰ কানীয়া সভাৰ অধিৱেশন, ভুৰুকী বৌ* আৰু প্ৰেমচন্দৰ *দীক্ষা, কফন, বিচিত্ৰ হোলী, শতৰঞ্জ কা খিলাড়ী, জীৱন কা শাপ, স্বৰ্গ কী দেৱী, বেশ্যা* আদি গল্পত প্ৰতিফলিত হৈছে।

৭। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োৰে গল্পত সমসাময়িক সমাজৰ কুসংস্কাৰৰ ছবি ফুটি উঠিছে। সেই সময়ত ধনী-দুখীয়া, উচ্চজাত-নিম্ন জাত, ধৰ্ম-সম্প্ৰদায়ৰ নামত সমাজত ভেদভাৱৰ সৃষ্টি হৈছিল। বিভিন্ন ৰীতি-নীতি আৰু অন্ধবিশ্বাসে সমাজত ভয়ংকৰ বিষমতাৰ সৃষ্টি কৰিছিল। বেজবৰুৱাৰ *সেউতী, লম্বোদৰ ডেকা, জাতিৰামৰ জাত, দদ্‌মন্তৰ, ধৰ্মধ্বজ ফয়চলা নবিচ, ৰতন মুণ্ডা, পাতমুগী, নিস্তাৰিণী দেৱী, কাশীবাসী* আদি গল্পত এইবোৰ দিশৰ চিত্ৰ প্ৰতিফলিত হৈছে। প্ৰেমচন্দৰ *মন্দিৰ, সদ্‌গতি, খুন সফেদ, ঠাকুৰ কা কুঁৱা, দুধ কা দাম, সৌভাগ্য কে কোড়ে, গুল্লী-ডণ্ডা, নৈৰাশ্য, নেউৰ, তেন্তৰ* আদি গল্পত এই বিষমতাৰ চিত্ৰ অংকিত হৈছে।

৮। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োজনে তেওঁলোকৰ গল্পত পুৰণি মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ অংকন কৰিছে। বেজবৰুৱাৰ *পুত্ৰবান পিতা, বাপিৰাম, ললিতী কাকতী, মলক গুইন গুইন* আৰু ৰচিত গল্পত এই অৱক্ষয়ৰ চিত্ৰ অংকিত হৈছে। প্ৰেমচন্দৰ *বেটʼৱালী বিধৱা, বুঢ়ী কাকী, পঞ্চপৰমেশ্বৰ, বিধ্বংস, কফন, সদ্‌গতি, মন্দিৰ* আদি গল্পতো মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ প্ৰকাশ পাইছে।

৯। দুয়োজন গল্পকাৰৰ গল্পতে সেই সময়ত ভাৰতীয় সমাজত নাৰীয়ে কেনে স্থান পাইছিল সেই চিত্ৰও অংকন কৰিছে। ভাৰতীয় কিছুমান পৰিয়ালত তেতিয়াও নাৰীয়ে যথেষ্ট সন্মান আৰু আদৰ পাইছিল, কিন্তু কিছুমান পৰিয়ালত নাৰীক বোজা বুলি গণ্য কৰিছিল। পণ্যৰ দৰে ব্যৱহাৰ হৈছিল নাৰী। সমাজত নাৰী কিনা-বেচা হৈছিল। কোনো

কোনো পৰিয়ালত পত্নীক দাসীৰ দৰে ব্যৱহাৰ কৰিছিল। সাধাৰণ কথাতে মাৰ-ধৰ কৰিছিল। ঘৰৰ পৰা খেদি দি আশ্ৰয়হীন কৰিছিল। বেজবৰুৱাৰ *পাতমুগী, ললিতী কাকতী, সেউতী, ৰচিত, এৰাবাৰী, লাওখোলা, মালতী, চেনিচম্পা, যেনে চোৰ তেনে টাঙোন, আমালৈ নেপাহৰিব, শিৱপ্ৰসাদ* আদি গল্পৰ মাজেৰে এইবোৰ দিশ প্ৰতিফলিত হৈছে। প্ৰেমচন্দৰ *কুসুম, নৈৰাশ্য, শুদ্ৰা, নৰক কা মাৰ্গ, বেশ্যা, ঘাসৱালী, নিৰ্বাসন, মিচ পদ্‌মা* আদি গল্পৰ মাজেৰে সমাজৰ এইটো দিশত পোহৰ পেলাইছে।

১০। ভাৰতীয় সমাজৰ বিবাহ ব্যৱস্থাৰ আসোঁৱাহসমূহক লৈ দুয়োজন গল্পকাৰে গল্প লিখিছে। বাল্য বিবাহ আৰু ইয়াৰ পৰিণতি, অমিল বিবাহ, অসবৰ্ণ বিবাহ, যৌতুক, বহু বিবাহ আদিয়ে সমাজত সৃষ্টি কৰা অশান্তিৰ ছবি দুয়োৰে বিভিন্ন গল্পৰ মাজেৰে প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ *সেউতী, পাতমুগী, ললিতী কাকতী, ৰচিত, আমাৰ সংসাৰ-১, ভোকেন্দ্ৰ বৰুৱা, লাওখোলা, চোৰ* আদি গল্পত বিবাহৰ সৈতে জড়িত বিভিন্ন দিশৰ প্ৰতিফলন ঘটিছে।

বাল্য বিবাহ আৰু অমিল বিবাহৰ পৰিণতিত প্ৰায়ে বিধৱা হোৱা নাৰীসকলে সমাজত জীয়াতু ভুগিবলগীয়া হয়। সমাজৰ এই ছবিও দুয়োজন গল্পকাৰে অংকন কৰিছে। বেজবৰুৱাৰ *এৰাবাৰীৰ* সৰু বোৱাৰী, *লাওখোলাৰ* নলিনী, *বাপিৰামৰ* তিলকা সেই নাৰীসকলৰ প্ৰতিনিধি। প্ৰেমচন্দৰ *বালক* গল্পৰ গোমতী, *ধিক্কাৰ-১*ৰ মাণি, *আধাৰ* গল্পৰ অনুপা, *সুভাগী* গল্পৰ সুভাগী, *নৈৰাশ্য লীলাৰ* কৈলাশ কুমাৰীয়ে অকালতে বৈধব্য যন্ত্ৰণা সহ্য কৰিবলগীয়া হৈছে।

১১। ভাৰতীয় সমাজত পৰিয়ালে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পতো সেই সময়ৰ ভাৰতীয় পৰিয়ালৰ বিভিন্ন দিশ অংকিত হৈছে। বেজবৰুৱাৰ *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ, মুক্তি, পুত্ৰৱান পিতা, ভোকেন্দ্ৰ বৰুৱা, মলক গুইন*

*গুইন* আদিৰ মাজেৰে পৰিয়ালৰ সদস্যসকলৰ সম্পৰ্ক, মৰম-চেনেহ, অসূয়া-অপ্ৰীতি, কৰ্তব্যবোধ আদিৰ চিত্ৰ প্ৰতিফলিত হৈছে। প্ৰেমচন্দৰ ভালেমান গল্পতে এই ছবি দেখিবলৈ পোৱা যায়। তেওঁৰ *অলগ্যোঝা, শংখনাদ, বড়ে ঘৰ কী বেটী, সুজান ভগত, নৈৰাশ্য, তেন্তৰ* আদি গল্পত ভাৰতীয় পৰিয়ালৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটিছে।

১২। সেই সময়ৰ ভাৰতীয় সমাজত শিশু শ্ৰমিক নিয়োগ কৰা হৈছিল। দুয়োজন গল্পকাৰৰ গল্পতে সমাজৰ এই দিশটোৰ চিত্ৰ প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ দচমন্তৰ গল্পত দহ বছৰীয়া দচ্‌মন্তৰক গল্পৰ কথকে ঘৰত পাঙ্খা টনা কামৰ বাবে ধনৰ বিনিময়ত নিয়োগ কৰিছে। প্ৰেমচন্দৰ *সৌভাগ্য কে কোড়েৰ* নাথুৰাই ৰায়চাহাবৰ ঘৰত সৰা-মোচাৰ কাম কৰিছিল। তাৰ বিনিময়ত সি খাবলৈ দুবেলা ৰুটী আৰু পিন্ধিবলৈ পুৰণি কাপোৰ পাইছিল।

**৪.৫.২ অমিল ঃ**

বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পত প্ৰতিফলিত সমাজখনৰ বিভিন্ন দিশত সাদৃশ্য পৰিলক্ষিত হয় যদিও কিছু কিছু ক্ষেত্ৰত পাৰ্থক্যও দেখিবলৈ পোৱা যায় —

১। ভাৰতীয় স্বাধীনতা আন্দোলনক লৈ প্ৰেমচন্দে ভালেমান গল্প ৰচনা কৰিছে। সেয়ে স্বাধীনতা আন্দোলনৰ সময়ৰ ভাৰতীয় সমাজৰ এখন জীৱন্ত চিত্ৰ প্ৰতিফলিত হৈছে তেওঁৰ *মাতা কা হৃদয়, মাঁ, সমৰযাত্ৰা, সুহাগ কী সাড়ী, সত্যাগ্ৰহ, তাৱান, ভাড়ে কা টাট্টু, অনুভৱ* আদি গল্পত। কিন্তু এই চিত্ৰ বেজবৰুৱাৰ গল্পত দেখিবলৈ পোৱা নাযায়। প্ৰেমচন্দে প্ৰত্যক্ষভাৱে ইংৰাজ শাসনৰ এই কালছোৱাত সাধাৰণ জনতাৰ ত্যাগ আৰু সাহসিকতাৰ চিত্ৰ অংকন কৰিছে।

স্বাধীনতা আন্দোলনৰ সময়ত মাজে-সময়ে সংঘটিত হিংসাত্মক ঘটনা, সাধাৰণ জনতাই ভোগা দুৰ্ভোগ, ইংৰাজৰ বৰ্বৰতা আদিৰ চিত্ৰও প্ৰেমচন্দৰ গল্পত প্ৰতিফলিত

হৈছে। কিন্তু স্বাধীনতা আন্দোলনৰ সময়ৰ সমাজৰ এইবোৰ দিশৰ চিত্ৰ বেজবৰুৱাৰ গল্পত দেখা পোৱা নাযায়।

২। প্ৰেমচন্দ আৰু বেজবৰুৱাৰ সমসাময়িক ভাৰতীয় সমাজত কৃষক-মজদুৰসকলৰ দুৰাৱস্থাৰ মৰ্মস্পৰ্শী চিত্ৰণ প্ৰেমচন্দৰ গল্পত অতি স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। ঠাকুৰ, মহাজনৰ দ্বাৰা প্ৰৱঞ্চিত শোষিত কৃষকসকলৰ অসহায় অৱস্থাৰ চিত্ৰ প্ৰেমচন্দৰ দৰে বেজবৰুৱাৰ গল্পত দেখিবলৈ পোৱা নাযায়।

৩। যৌথ পৰিয়ালৰ ভাঙোনৰ চিত্ৰ প্ৰেমচন্দৰ ভালেমান গল্পৰ মাজেৰে প্ৰতিফলিত হৈছে। বেজবৰুৱাই যৌথ পৰিয়ালৰ এই সমস্যাসমূহক লৈ গল্প ৰচনা কৰা নাই।

৪। ভাৰতীয় পৰিয়ালত বিশেষকৈ হিন্দী ভাষী ক্ষেত্ৰখনত পুত্ৰ সন্তানে প্ৰাধান্য পাই আহিছে। প্ৰেমচন্দৰ গল্পত ভাৰতীয় সমাজৰ এই বিষয়টোৱে স্থান পাইছে। তেওঁৰ *সুভাগী* গল্পত সুভাগীয়ে ছোৱালী হৈয়ো পিতৃ-মাতৃৰ পৰা অধিক মৰম-চেনেহ পোৱা বাবে ককায়েক ৰামুৱে খণ্ডতে ঘৰৰ লগত সম্পৰ্ক ছেদ কৰিছে। *নৈৰাশ্য* গল্পত এটা পুত্ৰ সন্তানৰ বাবে অপেক্ষা কৰি তিনিজনী কন্যা সন্তান জন্ম দিয়াৰ পিছত মাতৃ নিৰুপমাই মৃত্যুক আঁকোৱালি লৈছে। বেজবৰুৱাৰ গল্পত সমাজৰ এইবোৰ সমস্যাৰ প্ৰতিফলন দেখা নাযায়।

৫। বিধৱা বিবাহৰ প্ৰচলন বেজবৰুৱা আৰু প্ৰেমচন্দৰ সমসাময়িক সমাজত আৰম্ভ হৈছিল। পৰিয়ালৰ ভিতৰৰ পৰাই অকালতে বিধৱা হোৱা নাৰীয়ে সমৰ্থন লাভ কৰিছিল। এই চিত্ৰ প্ৰেমচন্দৰ গল্প *বালক, ধিক্কাৰ-১, আধাৰ, আলগ্যোঝা, স্বামিনী* আদিৰ মাজেৰে প্ৰতিফলিত হৈছে। কিন্তু বেজবৰুৱাই তেওঁৰ গল্পত এই দিশত আলোকপাত কৰা নাই।

৬। বেজবৰুৱা আৰু প্ৰেমচন্দ দুয়োৰে গল্পত দুখন ভিন ভিন সমাজৰ সাংস্কৃতিক জীৱনৰ চিত্ৰ প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ *বিহু* গল্পত বহাগ বিহুত পালন কৰা ৰীতি-নীতি, বিশ্বাস আদি প্ৰকাশ পাইছে। *গীতা* গল্পত মাঘ বিহুত পালনীয় কাৰ্যসমূহৰ বৰ্ণনা

আছে। সেইদৰে *নকওঁ* গল্পত বনগীত, *জাতিৰামৰ জাত*'ত ওজাপালি আৰু *আমালৈ নেপাহৰিব* গল্পত এটা লোকগীতৰ উল্লেখ কৰিছে। বেজবৰুৱাই *এৰাবাৰী* গল্পত এখন অসমীয়া বিয়াৰ উদুলি-মুদুলি পৰিৱেশৰ বৰ্ণনা কৰিছে। তেওঁৰ *ভদৰী, মলক গুইন গুইন, জয়ন্তী, মাধৈ মালতী, ৰতনমুণ্ডা* আদি গল্পত অসমীয়া আৰু উড়িয়া সমাজৰ সাজ-পাৰ, গহনা-গাথৰিৰ উল্লেখ আছে। প্ৰেমচন্দৰ বিভিন্ন গল্পত তেওঁ ভাৰতীয় হিন্দী ভাষা ক্ষেত্ৰখনত পালনীয় ভালেমান ৰীতি-নীতি আৰু অনুষ্ঠানৰ চিত্ৰ অংকন কৰিছে। সন্তান জন্মৰ পৰা মৃত্যুলৈকে পালনীয় কাৰ্য আৰু ৰীতি-নীতি সমূহৰ বৰ্ণনা তেওঁৰ *নৈৰাশ্য, তেন্তৰ, মৃতকভোজ, কফন, অলগ্যোঝা, গৃহদাহ* আদিৰ মাজেৰে পোৱা যায়। *তেওঁৰ ঈদগাহ* গল্পত ঈদ উদ্‌যাপনৰ বিষয়ে আৰু *নৈৰাশ্য লীলা, উদ্ধাৰ* আদি গল্পত হিন্দু বিবাহিত নাৰীসকলে পালন কৰা *তীজ* ব্ৰতৰ বিভিন্ন ৰীতি-নীতিৰ বৰ্ণনা পোৱা যায়। *ঝাঁকী* গল্পত কৃষ্ণৰ ঝুলন যাত্ৰা আৰু ভাৰতীয় শাস্ত্ৰীয় সঙ্গীত পৰিৱেশনৰ বৰ্ণনা আছে। *ধিক্কাৰ-১, শান্তি-১, এক আচ কী কচৰ* আদি গল্পত তেওঁ বিবাহ অনুষ্ঠানৰ বিভিন্ন কাৰ্যৰ বৰ্ণনা কৰিছে।

৭। প্ৰেমচন্দৰ গল্পত গাঁৱৰ পঞ্চায়ত ব্যৱস্থাৰ ওপৰত জনসাধাৰণৰ গভীৰ আস্থা প্ৰকাশ পাইছে। কিন্তু বেজবৰুৱাৰ গল্পত তেনে ব্যৱস্থাৰ সলনি আইন বা আদালতৰ ওচৰতহে জনসাধাৰণৰ আস্থা দেখিবলৈ পোৱা যায়। অৱশ্যে *পাতমুগী* গল্পত ৰাইজৰ ৰায় আৰু আইন ব্যৱস্থাৰ দুয়োৰে প্ৰতি অনাস্থাহে প্ৰকাশ পাইছে।

### ৪.৬ উপসংহাৰ

লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰেমচন্দ সমসাময়িক ভাৰতীয় গল্পকাৰ। তেওঁলোকৰ গল্পৰ বিষয়বস্তু, চৰিত্ৰ চিত্ৰণ, কলা-কৌশল আৰু সামাজিক চিত্ৰণত ভালেমান সাদৃশ্য আৰু বৈসাদৃশ্য পৰিলক্ষিত হয়।

বেজবৰুৱা আৰু প্ৰেমচন্দ দুটা ভিন ভিন ভাষাৰ সাহিত্যিক যদিও উভয়ৰে গল্পত ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থা, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ধৰ্মীয় দিশত দেখিবলৈ পোৱা উমৈহতীয়া বৈশিষ্ট্যসমূহ প্ৰতিফলিত হৈছে। উভয়ৰে গল্পত ভালেমান বৈসাদৃশ্যও দেখিবলৈ পোৱা যায়। অঞ্চল ভেদে থকা ভৌগোলিক আৰু সামাজিক ভিন্নতা সাহিত্যতো প্ৰতিফলিত হয়। সেইবাবে বেজবৰুৱা আৰু প্ৰেমচন্দৰ গল্পৰ বিভিন্ন দিশত বৈসাদৃশ্য পৰিলক্ষিত হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত বিশেষকৈ অসমীয়া সমাজ জীৱনৰ প্ৰতিফলন ঘটিছে আৰু প্ৰেমচন্দৰ গল্পত হিন্দী ভাষী ক্ষেত্ৰখনৰ সমাজ জীৱন প্ৰতিফলিত হৈছে। দুয়োখন সমাজৰে ৰীতি-নীতি আৰু সংস্কাৰৰ মাজত ভালেমান দিশত প্ৰভেদ আছে। হিন্দী ভাষা ক্ষেত্ৰত জাত-পাত আৰু উচ্চ-নীচৰ প্ৰভেদ অধিক। সেই অঞ্চলসমূহত ঠাকুৰ, মহাজন, জমিদাৰ আদিৰ শোষণ, প্ৰৱঞ্চনা আদিও অধিক। নিৰক্ষৰতা, অন্ধবিশ্বাস আৰু ল'ৰা সন্তানৰ প্ৰতি দুৰ্বলতাও বেছি দেখা যায়। নাৰীৰ সামাজিক মৰ্যাদা উভয় সমাজতে বেলেগ বেলেগ। দুয়োখন সমাজৰে বিবাহ ব্যৱস্থাও সুকীয়া। হিন্দী ভাষী অঞ্চলত প্ৰেমচন্দৰ সমসাময়িক সমাজত যৌতুক প্ৰথাৰ মুক্ত প্ৰচলন আছিল। গতিকে এই বিষয় আৰু সমস্যাবোৰে প্ৰেমচন্দৰ গল্পত যথেষ্ট স্থান অধিকাৰ কৰিছে। সেই অঞ্চলৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সামাজিক অনুশাসন, উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, গীত-মাত, খাদ্যাভ্যাস, সাজ-পাৰ আদি সাংস্কৃতিক ভিন্নতাও প্ৰেমচন্দৰ গল্পত প্ৰকাশ পাইছে।

বেজবৰুৱাৰ গল্পত অসমীয়া সমাজৰ ৰীতি-নীতি, সামাজিক উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, গীত-মাত, খাদ্যাভ্যাস, সাজ-পাৰ আদি প্ৰতিফলিত হৈছে। এইবোৰৰ মাজেৰে অসমীয়া সমাজৰ স্বকীয় বৈশিষ্ট্যসমূহ তেওঁৰ গল্পত প্ৰকাশ পাইছে।

**পাদ টীকা ঃ**

১। অতুল চন্দ্ৰ হাজৰিকা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৬০৬ *(মিষ্টাৰ ফিপ্সন)*

২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৮৭ *(বাপিৰাম)*

৩। প্ৰেমচন্দ ঃ *মানসৰোৱৰ*-২, পৃষ্ঠা ঃ ২০২ *(শুদ্ৰা)*

৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ১৫৮ *(বিচিত্ৰ হোলী)*

৫। প্ৰেমচন্দ ঃ *মানসৰোৱৰ*-৩, পৃষ্ঠা ঃ ১২৫ *(দীক্ষা)*

৬। মাহীয়েক